# অৱতৰণিকা

ঊনবিংশ শতিকাৰ প্ৰথম ভাগত অসমীয়া উপন্যাস সাহিত্যৰ অংকুৰণ ঘটে। ইয়াণ্ডাবু সন্ধিৰ ফলশ্ৰুতিত অসম ইংৰাজৰ শাসনাধীন হোৱাৰ পাছত স্বাভাৱিকভাৱেই অসমীয়া জাতি ইংৰাজৰ সংস্পৰ্শ লৈ আহে। পাশ্চাত্যৰ লগত ৰাজনৈতিক, অৰ্থনৈতিক আৰু শিক্ষাগত সংযোগৰ ফলত অসমীয়া সাহিত্যত আধুনিক যুগ আৰম্ভ হয়।

অসমীয়া ভাষাৰ সংকট কালত আমেৰিকান বেপ্টিষ্ট মিছনেৰী সকল অসমলৈ আহে আৰু ধৰ্মীয় কাৰণতে অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰিবলৈ লয়। সেই উদ্দেশ্যে তেওঁলোকে স্থাপন কৰা শিৱসাগৰৰ মিছেনেৰী প্ৰেছৰ পৰাই ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত প্ৰথম অসমীয়া মাহেকীয়া আলোচনী 'অৰুণোদই' প্ৰকাশ পায় আৰু এই কাকতখনেই অসমীয়া ভাষা সাহিত্যত নতুন নতুন দিশসমূহ উন্মোচন কৰে।

আধুনিক অসমীয়া সাহিত্যত গল্প, নাটক, কবিতা, প্ৰবন্ধ, আলোচনা আদিৰ উন্মেষ ঘটোৱাৰ দৰে 'অৰুণোদই' কাকততে প্ৰথম অসমীয়া উপন্যাসৰ বীজ অংকুৰিত হয়। নাথান ব্ৰাউনে জন বানিয়াৰ ৰূপকধৰ্মী উপন্যাস 'দি পিল্ গ্ৰীমছ্ প্ৰগ্ৰেছ' অসমীয়া লৈ অনুবাদ কৰি 'যাত্ৰিকৰ যাত্ৰা' নামেৰে ১৮৪৮ চনৰ 'অৰুণোদই' আলোচনীত প্ৰকাশ কৰি অসমীয়া পাঠক বৰ্গক উপন্যাসৰ সোৱাদ দিয়ে। অসমীয়া ভাষাত 'যাত্ৰিকৰ যাত্ৰা'ৰ পৰাই উপন্যাস সাহিত্যৰ শুভাৰম্ভ হয় বুলি উল্লেখ পোৱা যায়। তাৰ পাছত ১৮৭৭ চনত এ,কে, গাৰ্ণিৰ প্ৰথম উপন্যাসধৰ্মী ৰচনা 'কামিনীকান্ত' প্ৰকাশ পায়। গাৰ্ণিৰ উদ্যোগত আৰু দুখন উপন্যাসিকা প্ৰকাশ পায়, তাৰ ভিতৰত এম, ই, লেছলীৰ 'এলোকেশী বেশ্যাৰ বিষয়' আৰু 'কানি বেহেৰুৱাৰ বিষয়' বিশেষভাৱে উল্লেখযোগ্য।

অসমীয়া উপন্যাসৰ প্ৰস্তুতি কালত মিছেনেৰীসকলৰ অৱদানৰ বাহিৰেও থলুৱা লেখকৰ বৰঙণি কম নহয়। ১৮৭৬ খ্ৰীষ্টাব্দত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী' আৰু ১৮৮৪ খ্ৰীষ্টাব্দত পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' এইক্ষেত্ৰত উল্লেখযোগ্য। কাহিনী, পটভূমি, চৰিত্ৰ, সংলাপ, পৰিৱেশ, ৰস, উৎকণ্ঠা, আদৰ্শ আৰু ৰচনাৰীতিৰ ফালৰ পৰা ১৮৯১ চনত 'বিজুলী' কাকতত প্ৰকাশিত পদ্মনাথ গোহাঞি বৰুৱাৰ 'ভানুমতী'ক

নিঃসন্দেহে প্ৰথম মৌলিক অসমীয়া উপন্যাস বুলি ক'ব পাৰি। নিভাঁজ অসমীয়া উপন্যাসৰ এই ধাৰাটো ১৮৮৫ পৰা ১৯০০ চনৰ ভিতৰত ৰজনীকান্ত বৰদলৈৰ হাতত প্ৰল্লৱিত হৈ উঠে। পৰৱৰ্তী কালত অসমীয়া উপন্যাসৰ সাহিত্যৰ মূলসুঁতিৰ লগত বহুতো সৰু-বৰ ধাৰা মিলিত হৈ ইয়াক পৰিপুষ্ট কৰিছে। তাৰে এটি বিশিষ্ট ধাৰা হ'ল অসমীয়া আঞ্চলিক উপন্যাস। অসমীয়া আঞ্চলিক উপন্যাসৰ ক্ষেত্ৰত শীলভদ্ৰৰ অৱদান উল্লেখযোগ্য। সেয়ে শীলভদ্ৰৰ উপন্যাস সমগ্ৰৰ বিষয়বস্তু আৰু গঠনৰীতিৰ উপস্থাপনলৈ চাই প্ৰফুল্ল কটকীয়ে উল্লেখ কৰিছে —

> *'আঞ্চলিক উপন্যাস ৰচনাত শীলভদ্ৰই নিজৰ কৃতিত্বৰ সুস্পষ্ট নিদৰ্শন দাঙি ধৰিছে।'* [১]

কিয়নো 'অভিযোগ' গল্প ৰচনাৰে অসমীয়া কথাসাহিত্য জগতত প্ৰৱেশ কৰা শীলভদ্ৰৰ 'মধুপুৰ' (১৯৭১) আৰু 'তৰংগিনী' (১৯৭১) উপন্যাস ৰচনাৰে ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। শীলভদ্ৰ ৰচিত উপন্যাস কেইখন হ'ল 'মধুপুৰ', (১৯৭১) 'তৰংগিনী', (১৯৭১), 'আইঁতগুৰি' (১৯৭৩), 'আগমনীৰ ঘাট' (১৯৭৩), 'প্ৰাচীৰ' (১৯৮০), 'অবিচ্ছিন্ন' (১৯৮০), 'গধূলি' (১৯৮১) আৰু 'অনুসন্ধান' (১৯৮৭) ।

অবিভক্ত গোৱালপাৰা অঞ্চলৰ সাধাৰণ জনজীৱনৰ মাত-কথা, কৃষ্টি-সংস্কৃতি, লোক-পৰম্পৰা, নৈ-পৰীয়া মানুহৰ সুখ-দুখ, ভাষা আৰু থলুৱা চৰিত্ৰৰ জীৱন্ত ৰূপদান, গোৱালপৰীয়া জমিদাৰ বংশৰ পতন আৰু মধ্যবিত্ত শ্ৰেণীৰ উত্থান, সামাজিক পৰিৱৰ্তন আৰু পৰিৱৰ্ধন তেখেতৰ উপন্যাসত আমি সততে দেখিবলৈ পাওঁ। ঔপন্যাসিক উল্লিখিত অঞ্চলটোৰ অধিবাসী হোৱা হেতুকে তেখেতৰ উপন্যাসত এই অঞ্চলৰ প্ৰায়বোৰ আঞ্চলিক বৈশিষ্ট্য অকৃত্ৰিমভাৱে প্ৰতিফলিত হৈছে। গতিকে উপন্যাসৰ বিষয়বস্তু আৰু ৰচনাৰীতিৰ ফালৰ পৰা তেখেতৰ প্ৰায়কেইখন উপন্যাসক আঞ্চলিক উপন্যাস বুলি ক'ব পাৰি। সেয়ে আমাৰ গৱেষণা গ্ৰন্থত শীলভদ্ৰই পশ্চিম অসমৰ আঞ্চলিক বৈশিষ্ট্যৰ পটভূমিত ৰচনা কৰা উপন্যাস সমগ্ৰৰ বিশ্লেষণাত্মক অধ্যয়ন কৰিবলৈ প্ৰযত্ন কৰা হৈছে।

**বিষয়বস্তু উপস্থাপন ঃ**

অসমীয়া উপন্যাসৰ ইতিহাসত শীলভদ্ৰৰ কথাশিল্পৰ এটি অনুপম ভূমিকা আছে। কাৰণ

উপন্যাসৰ বিষয়বস্তু উপস্থাপন আৰু বিন্যাসৰীতিৰ কৌশল সুকীয়া আৰু বৈশিষ্ট্য সম্পন্ন। শীলভদ্রৰ উপন্যাস সমগ্রৰ  বিষয়বস্তুৰ মূলতে এটি অঞ্চল ভিত্তিত আহৰণ কৰা পূর্ণ অভিজ্ঞতাৰ ফচল। যি অভিজ্ঞতাই সোঁৰৰাই দিয়ে একো-একোটা অঞ্চলৰ তিতা-মিঠা-কেঁহা সমাজৰ আইন-শৃংখলা, সমাজ-ব্যৱস্থা, আচাৰ-আচৰণ, ভাষিক বৈচিত্র্য, সাংস্কৃতিক সমন্বয়, ঐতিহ্য আৰু পৰম্পৰা, আভিজাত্যৰ ঢং আৰু জাত্যািভিমানৰ কবলত সমাজৰ অধঃপতন আৰু মধ্যবিত্ত শ্রেণীৰ উত্থান আদি তেখেতৰ উপন্যাসৰ মূল বিষয়বস্তু। এনে পৰিৱর্তন আৰু পৰিৱর্ধনৰ মাজেৰে অতীত স্মৃতি ৰোমন্থন তেখেতৰ উপন্যাসৰ বিষয়বস্তুৰ এটা মূল অংশ বুলি ধৰি ল'ব পাৰি।

উপন্যাসৰ পটভূমি অবিভক্ত গোৱালপাৰা জিলাৰ গ্রাম্য চহৰ গৌৰীপুৰ। গৌৰীপুৰৰ আন এক নাম মধুপুৰ। মধুপুৰ  মানেই হ'ল মধুৰ স্মৃতি। এই  স্মৃতি হৈছে শীলভদ্রৰ জন্ম স্থান গৌৰীপুৰক লৈ। গৌৰীপুৰৰ  মাটি, বায়ু, পানী মন-মগজু-মেজাজত সোমাই গৈছে বাবে গৌৰীপুৰৰ সৰু-বৰ মধুৰ স্মৃতি বিজড়িত কাহিনী বা বিষয় উপন্যাসত সততে প্রতিফলিত হৈ উঠিছে। এককথাত গৌৰীপুৰৰ মধুৰ স্মৃতিৰ ৰোমন্থনেই হ'ল মধুপুৰ উপন্যাসৰ বিষয়বস্তু। স্বাধীনতাৰ  কাললৈকে গৌৰীপুৰ তথা মধুপুৰ চহৰৰ অর্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিৱর্তনৰ স্বৰূপ দাঙি ধৰিছে। কাৰণ অভিজাত শ্রেণীৰ  জাত্যাভিমান আৰু নিম্ন শ্রেণীৰ লোকসকল সফলতাৰ দিশত অগ্রসৰ হৈ মধ্যবিত্ত শ্রেণীত পৰিণত হোৱাৰ লগে লগে মধুপুৰ অঞ্চলটোত ক্রমন্বায়ে উৰলি যাব খোজা  গ্রাম্য  জীৱনৰ প্রাচীন ধাৰাটোৰ কিছু কথা সংবেদনশীল পৰিস্থিতিৰ যোগেদি দাঙি ধৰিছে। 'মধুপুৰ' উপন্যাসত প্রকৃতি আৰু মানুহৰ সম্পর্ক নিবিড়।  চৰিত্র চিত্রণত নিম্ন মধ্যবিত্ত শ্রেণী আৰু অভিজাত শ্রেণীৰ মানুহৰ অবিকল ৰূপ অংকন কৰি স্থানীয় ৰং (local colour) স্পষ্টভাৱে ফুটাই তুলিছে। স্থানীয় বৈশিষ্ট্যৰ মাজেৰে মানুহৰ আচাৰ-আচৰণ, লোকবিশ্বাস, সংস্কাৰ, পূজা পার্বন, ভাষা আদিৰ উপস্থাপনে স্থানীয় ৰং অধিক প্রকট হৈ উঠিছে। কথা কোৱাৰ ধৰণ, উচ্চাৰণগত ভংগীমা, শাৰীৰিক গঠন, খাদ্য খোৱাৰ কৌশল, অভিজাত শ্রেণীৰ ধমকি, ভয়ত পেপুৱা লগা আদি উপস্থাপনে আঞ্চলিকতাৰ প্রভাৱ বিশেষভাৱে পৰিস্ফুটিত। এককথাত 'মধুপুৰ' উপন্যাসৰ বিষয়বস্তু হ'ল মধুপুৰৰ ঐতিহ্য, পৰম্পৰা আৰু উত্থান-পতনৰ স্থিৰ চিত্র। 'আগমনীৰ ঘাট' উপন্যাসৰ বিষয়বস্তু

মূলতঃ গংগাধৰ নৈৰ খোৰাঘাটৰ পৰা শিলগুটি কঢ়িয়াই নি ৰাষ্ট্ৰীয় পথত পেলোৱাৰ ঠিকাদাৰী ব্যস্ততা, আগমনীৰ ঘাট অঞ্চলত নৈ-পৰীয়া সমাজ জীৱনৰ অৰ্থনৈতিক দিশ আৰু সমগ্ৰ অঞ্চলৰ সমাজ জীৱনৰ চিত্ৰ। আগমনীৰ ঘাটলৈ অহা পৰিৱৰ্তনৰ ঢৌৱে অঞ্চলটোৰ সাধাৰণ লোকৰ জীৱন ধাৰণ পদ্ধতি, পূজা-পাৰ্বন, বিভিন্ন উৎসৱ আদিৰ উল্লেখ পোৱা যায়। কাতিকা পূজা, চণ্ডী নৃত্য, দৌলৰ গোঁসাই ফুৰোৱা, চড়ক পূজা, জমিদাৰৰ হাতী ধৰা, চিকাৰৰ বৰ্ণনা ইত্যাদি বিষয়ৰ মনোগ্ৰাহী বিৱৰণ সন্নিৱিষ্ট হৈছে।

মধুপুৰৰ সংযোগহীনতাই লেখকক আমনি কৰে। মধুপুৰলৈ হাতবাউলি মাতি থাকে। মধুপুৰ যদিওবা সৰু ঠাই তথাপি চাৰিত্ৰিক বৈশিষ্ট্য অইন অইন ঠাইতকৈ সুকীয়া। অসমৰ অন্তৰ্গত মধুপুৰ অঞ্চল স্বকীয় ধ্যান-ধাৰণাৰে ভাষা-সংস্কৃতি গঢ় লৈছে। যি সংস্কৃতিত কেচাঁ মাটিৰ গোন্ধ, গদাধৰ, গংগাধৰৰ মলয়া বতাহৰ সুবাস, থলুৱা মানুহৰ চিৰাচৰিত স্বভাৱ, প্ৰেম আৰু মমতাৰ পৰশ আদিয়ে লেখকক ব্যাকুল কৰি তোলে। সেই মধুপুৰত এৰি অহা অঙহী-বঙহীৰ লগত যোগাযোগ নাই। লেখকৰ কৰ্ম ব্যস্ততাই মধুপুৰৰ লগত বিচ্ছিন্ন কৰি ৰাখিছে। সেই বিচ্ছিন্নৰ সংযোগ কৰিছে তেওঁৰ পেহীৰ ছোৱালী কিৰণবাইয়ে। কিৰণবাইৰ জৰিয়তে উপন্যাসখনৰ কাহিনী আৰম্ভ হৈছে।

'অনুসন্ধান' উপন্যাসত এটি সুবিন্যস্ত কাহিনী পাবলৈ নাই। তাৰ পৰিৱৰ্তে আছে জীৱনৰ ধাৰণা, সাম্প্ৰতিক সমাজ সম্পৰ্কে চেতনাবোধৰ এক সোঁত, য'ত ভৃগু চৌধুৰীৰ অতীতত ঘটা ঘটনাৰ সমাহাৰে সৃষ্টি কৰা কাহিনী, জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অভিজ্ঞতাৰ স্মৃতি, জীৱনত লগ পোৱা চৰিত্ৰসমূহৰ অন্তৰ্জগতত বিচৰণ কৰি আহৰণ কৰা সুক্ষ্ম অভিজ্ঞতাৰ বাস্তৱ প্ৰতিফলনেই 'অনুসন্ধান' উপন্যাসৰ বিষয়বস্তু।

'প্ৰাচীৰ' উপন্যাসত এক সুবিন্যস্ত কাহিনী নাই। উপন্যাসখনৰ প্ৰথম অধ্যায়ত শ্যামল বৰুৱাৰ লেখক জীৱনৰ অভিজ্ঞতা, গল্পকাৰ হিচাপে সুনাম-কুনাম, বিশ্ববিদ্যালয় চৌহদত গৱেষণাৰত নিজৰা ফুকনৰ প্ৰতি প্ৰেমাভাৱ, নিজৰা ফুকনৰ 'গোৱালপৰীয়া সাংস্কৃতিক সন্মিলনত' যোগদান, গোৱালপাৰাৰ পৰা লৈ অহা সংস্কৃতিৰ সমল, শ্যামল বৰুৱাৰ দৃষ্টিত নতুনত্ব একো নাই, কিন্তু নিজৰা প্ৰশংসাত পঞ্চমুখ। মাণিক দত্তৰ গেৰেজ আৰু এম্বেচেডৰ গাড়ী, মাণিক দত্তৰ ব্যৱহাৰ, সাংসাৰিক জীৱনৰ জটিলতা, গগন দত্ত পিতৃ হিচাপে মাণিকক

লৈ গৌৰৱ অনুভৱ, ফৰিংৰ চতুৰতা, কথাত মানুহৰ মন ভূলোৱা, এজন এজনকৈ কৰি তিনিজনী পত্নী, কিন্তু তিনিজনীৰ এজনীও নাথাকিল, শেষত জ্যোতিষ শাস্ত্ৰই জীৱিকাৰ আহিলা, ভণ্টি ৰেখাৰ প্ৰতি বিদ্বেষ মনোভাৱ, গৌৰীপুৰীয়া জীৱনত শ্যামল বৰুৱাৰ ৰেখাৰ প্ৰতি প্ৰেমাভাৱ, ৰেখাৰ ঘৰত উপস্থিত হ'ল কিন্তু ৰেখাই সাক্ষাৎ নকৰিলে, ৰেখাৰ ৰূপৰ প্ৰতি সমাজৰ কু-দৃষ্টি, শেষত নিজৰা ফুকনক বিয়া কৰাৰ মন লৈ দিল্লী ৰাওনা, ইতিমধ্যে নিজৰাৰ বিয়া হৈ গ'ল, শ্যামল বৰুৱাৰ মনৰ আশা মনত ৰ'ল। এনে ব্যক্তিগত অনুভূতি আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতাসমূহৰ ঐক্যই হ'ল উপন্যাসখনৰ মূল প্ৰতিপাদ্য বিষয়।

আনহাতে 'আহঁতগুৰি' উপন্যাসত অসমৰ বহু গাঁও স্বাধীনতা লাভৰ পাছৰে পৰা উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে। গ্ৰাম্যাঞ্চলত নতুনকৈ বাট-পথ হৈছে, ফলত অঞ্চলবোৰত বাণিজ্যিক কৰ্ম ব্যস্ততাও বৃদ্ধি পাইছে, তাৰ লগে লগে নগৰীয়া প্ৰভাৱো গ্ৰাম্য জীৱনত পৰিছে। কিন্তু উন্নয়নৰ ফলত যে গ্ৰাম্যাঞ্চলৰ মানুহবোৰৰ বিশেষ অৰ্থনৈতিক উন্নতি হৈছে, তেনে নহয় বৰঞ্চ, অনেক সময়ত হিতে বিপৰীত গতি লৈছে। এক কথাত নগৰে গাঁওক গিলি পেলাইছে। অৰ্থাৎ আহঁতগুৰি এসময়ৰ 'পেৰপেৰীয়া' গাঁওৰ নতুন সংস্কৰণ। 'তৰংগিনী' উপন্যাসত এখন চাহ বাগিচাৰ সামাজিক, অৰ্থনৈতিক দিশসমূহ লেখকৰ স্মৃতিৰ আধাৰত কাহিনীয়ে গতি লাভ কৰিছে। ঠিক তেনেদৰে 'গধূলি' উপন্যাসত ভূদেৱ চৌধুৰীৰ জীৱনৰ ঘাত-প্ৰতিঘাত আৰু বিয়লী বেলাৰ প্ৰতিচ্ছবি তুলি ধৰিছে। দৰাচলতে ভূদেৱ চৌধুৰীৰ জীৱনৰ কোনো বিচিত্ৰতা নাই, তেওঁ কোনো চকুত লগা কামো কৰা নাই। অতি সাধাৰণভাৱে জীৱন অতিবাহিত কৰা ভূদেৱ চৌধুৰী নামৰ লোকজনে জীৱনৰ অৰ্থ বিচাৰি অতীতলৈ উভতি চাইছে। এয়াই 'গধূলি' উপন্যাসৰ বিষয়বস্তু। এইদৰে আমি তেখেতৰ আন উপন্যাস কেইখনৰ বিষয়বস্তুলৈ নিৰীক্ষণ কৰিলে দেখা পাওঁ যে অতীতলৈ উভতি অতীতক ৰোমন্থন কৰি মধুপুৰ অঞ্চলক আধাৰ হিচাপে গ্ৰহণ কৰি উপন্যাস কেইখনৰ বিষয়বস্তু গঢ় লৈ উঠিছে।

তদুপৰি শীলভদ্ৰৰ উপন্যাসৰ বিষয়বস্তু আৰু পটভূমি শীৰ্ষক উপন্যাসৰ ধাৰা ইংৰাজী সাহিত্যৰ ঔপন্যাসিক থমাছ হাৰ্ডিৰ উপন্যাস 'দি ৰিটাৰ্ণ অফ দ্যা নেটিভ', বাংলা সাহিত্যৰ ঔপন্যাসিক অদ্বৈতমল্ল বৰ্মণৰ উপন্যাস 'তিতাস একটি নদীৰ নাম', অমিয়ভূষণ মজুমদাৰৰ 'মহিষকুড়াৰ উপকথা, মহাশ্বেতা দেবীৰ 'অৰণ্যৰ আৰণ্যক' আদি উপন্যাসসমূহৰ বিষয়বস্তু আৰু

পটভূমিৰ মাজত সাদৃশ্য মনকৰিবলগীয়া। আটাইবোৰ উপন্যাসৰ মূল কোনো এক বিশেষ ক্ষুদ্র অঞ্চল, নদ-নদীপৰীয়া জীৱন বা জাতি-জনগোষ্ঠীৰ জীৱন গাঁথা। যেনে— শীলভদ্রৰ নির্বাচিত অঞ্চল অবিভক্ত গোৱালপাৰা জিলাৰ গৌৰীপুৰকেন্দ্রিক অঞ্চল, থমাছ হার্ডিৰ ওৱেসেস্ক অঞ্চল, অদ্বৈতমল্ল বর্মণ আৰু অমিয়ভূষণ মজুমদাৰৰ নির্বাচিত অঞ্চল উত্তৰবংগ। ঠিক তেনেদৰে শীলভদ্রৰ উপন্যাসৰ স'তে ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী', অমূল্য বৰুৱাৰ 'এই পদুমনি', হোমেন বৰগোহঞিৰ 'মৎস্যগন্ধ্যা', নিৰুপমা বৰগোহাঞিৰ 'সেই নদী নিৰবধি', ভুবন মোহন মহন্তৰ 'নৈ বৈ যায়', স্বৰ্ণ বৰাৰ 'ডিয়ুং নদীৰ গীত', লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি', নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' আদি উপন্যাসসমূহক আঞ্চলিক উপন্যাসৰ শাৰীত ধৰা হয়। যিকোনো আঞ্চলিক উপন্যাসৰ বিষয়বস্তু হৈছে কোনো বিশেষ অঞ্চল আৰু সেই অঞ্চলটোৰ জাতি-জনগোষ্ঠীৰ জীৱন গাঁথা তুলি ধৰা। অৰ্থাৎ সেই অঞ্চলৰ ইতিহাস আৰু ঐতিহ্য, ভাষা-সংস্কৃতি, সামাজিক, অর্থনৈতিক, ৰাজনৈতিক পৰিকাঠামো তথা উত্থান-পতনৰ সামগ্রীক দিশ উপস্থাপন কৰা বাঞ্চনীয়। শীলভদ্রৰ উপন্যাসসমূহত আঞ্চলিক উপন্যাসৰ বৈশিষ্ট্যসমূহ সততে ৰক্ষিত হোৱা পৰিলক্ষিত হয়।

**অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ গৱেষণা কর্ম 'শীলভদ্রৰ উপন্যাসত আঞ্চলিক উপাদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীর্ষক বিষয়টিৰ পৰিসৰ সীমিত। অৰ্থাৎ শীলভদ্রৰ উপন্যাস সমগ্র আৰু উপন্যাসত বর্ণিত পটভূমি গৌৰীপুৰকেন্দ্রিক অঞ্চলৰ অবিভক্ত গোৱালপাৰা জিলাই হ'ল ইয়াৰ মূল আধাৰ তথা পৰিসৰ।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

এতিয়ালৈকে শীলভদ্রৰ উপন্যাসত আঞ্চলিক উপাদান সম্পৰ্কে কোনো ধৰণৰ গৱেষণামূলক আলোচনা হোৱা নাই। সাহিত্যৰ বুৰঞ্জী লেখক সকলে দুই-এঠাইত আঞ্চলিক উপাদান সম্পর্কত কিছু কথা উনুকিয়াইছে। সেয়ে তলত উল্লিখিত উদ্দেশ্যসমূহ আগত ৰাখি গৱেষণা কার্য সম্পন্ন কৰিবলৈ প্রয়াস কৰা হৈছে।

ক) আঞ্চলিক উপন্যাসৰ সংজ্ঞাৰ ভিতৰত শীলভদ্ৰৰ কোন কেইখন উপন্যাসক আওঁতালৈ আনিব পাৰি সেই সম্পৰ্কে চিন্তা-চৰ্চা কৰা।

খ) 'শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান' বিষয়টি সম্পৰ্কত সংগৃহীত তথ্য বা উপাদানসমূহ অধ্যয়ন আৰু বিশ্লেষণ, ইয়াৰ সত্যতা নিৰূপণ কৰা।

গ) শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদানৰ কোনবোৰ দিশ প্ৰকাশ পাইছে আৰু তাত কিবা বিশেষ দিশ আছে নেকি আলোচনা কৰা।

ঘ) শীলভদ্ৰৰ উপন্যাসত থকা পশ্চিম অসমৰ ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিক অৱস্থাৰ আঞ্চলিকতা সম্পৰ্কে অধ্যয়ন কৰা আৰু এই অঞ্চলটিৰ সামূহিক স্থিতি তথা সাংস্কৃতিক জীৱন সম্পৰ্কে অসমৰ পাঠক বৰ্গক অৱগত কৰা।

**অধ্যয়ন সমীক্ষা ঃ**

অসমীয়া সাহিত্যত শীলভদ্ৰৰ উপন্যাস সমগ্ৰৰ আংশিক আলোচনাৰ বাহিৰে পূৰ্ণ পৰ্যায়ৰ গৱেষণা তথা আলোচনা হোৱা আমাৰ এতিয়াও দৃষ্টিগোচৰ হোৱা নাই। বিশেষকৈ আমি নিৰ্বাচন কৰি লোৱা গৱেষণা শীৰ্ষক বিষয়টিৰ ওপৰত আঞ্চলিক উপাদানৰ ফালৰ পৰা তেনেকুৱা বিশ্লেষণধৰ্মী অধ্যয়ন হোৱাই নাই। তদুপৰি এই বিষয়টিৰ ওপৰত কোনো গ্ৰন্থ প্ৰকাশ হোৱা আমাৰ চকুত পৰা নাই। কেৱল অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখক সকলে শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান সম্পৰ্কত আংশিক আলোচনা আগবঢ়াইছে। অতি সম্প্ৰতি দুই এখন গ্ৰন্থ, সম্পাদিত গ্ৰন্থত শীলভদ্ৰৰ উপন্যাসৰ কিছু আলোচনা পোৱা যায়। বিশেষকৈ প্ৰফুল্ল কটকীৰ 'স্বাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা' গ্ৰন্থত 'আঞ্চলিক উপন্যাস আৰু শীলভদ্ৰ' আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া উপন্যাসৰ গতিধাৰা' গ্ৰন্থৰ 'পঞ্চম অধ্যায়', গোবিন্দ প্ৰসাদ শৰ্মাৰ 'উপন্যাস আৰু অসমীয়া উপন্যাস' গ্ৰন্থৰ দশম অধ্যায় 'শীলভদ্ৰৰ অনুসন্ধান আৰু অন্যান্য উপন্যাস আধুনিকতাবাদী নে উত্তৰাধুনিকতাবাদী', অমল চন্দ্ৰ দাস সম্পাদিত 'অসমীয়া উপন্যাস পৰিক্ৰমা' গ্ৰন্থত বিপুল মালাকাৰৰ প্ৰবন্ধ 'শীলভদ্ৰৰ অনুসন্ধান', নগেন ঠাকুৰ সম্পাদিত গ্ৰন্থ 'এশ বছৰৰ অসমীয়া উপন্যাস' গ্ৰন্থত সৰোজ কাকতিৰ প্ৰৱন্ধ 'অসমীয়া আঞ্চলিক উপন্যাস' আৰু বসন্ত কুমাৰ ভট্টাচাৰ্যৰ 'শীলভদ্ৰৰ উপন্যাস', মাহেকীয়া আলোচনী 'গৰীয়সী'ত

মাইনী চমুৱাৰ প্ৰবন্ধ 'ঔপন্যাসিক শীলভদ্ৰ ঃ সমাজ-জীৱনৰ ৰূপকাৰ' কিছু আলোচনা পোৱা যায়। অতি সম্প্ৰতি বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৃষ্ঠপোষকতাত ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু অসমীয়া বিভাগ, প্ৰমথেশ বৰুৱা মহাবিদ্যালয় আৰু অসম সাহিত্য সভা, গৌৰীপুৰ শাখাৰ সহযোগিতাত অনুষ্ঠিত "শীলভদ্ৰ আৰু থমাছ হাৰ্ডিৰ ৰচনাত আঞ্চলিকতাবাদ ঃ অঞ্চলোৰ্দ্ধৰ আলোচনা" শীৰ্ষক বিষয়ক পঠিত আলোচনা পত্ৰসমূহ আখ্‌তাৰুল ইছলাম সম্পাদিত 'শীলভদ্ৰ, সৃষ্টি আৰু দৃষ্টি' গ্ৰন্থত শীলভদ্ৰৰ কথাসাহিত্যৰ কিছু বহল আলোচনা পোৱা যায়। কিন্তু শীলভদ্ৰৰ উপন্যাসসমূহ আঞ্চলিক উপন্যাস আৰু আঞ্চলিক উপাদান সম্পৰ্কে পূৰ্ণাংগ গৱেষণা কৰ্ম সম্পন্ন হোৱা নাই। শীলভদ্ৰৰ উপন্যাসত আঞ্চলিক উপাদান শীৰ্ষক বিষয়টি বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত আমাৰ গৱেষণা গ্ৰন্থত আলোচনা কৰাৰ প্ৰয়াস কৰিছো।

**অধ্যয়নৰ প্ৰমেয় ঃ**

অধ্যয়নৰ ক্ষেত্ৰত নিম্নলিখিত প্ৰমেয়ৰ ওপৰত সততে গুৰুত্ব আৰোপ কৰা হৈছে।

ক) শীলভদ্ৰ ৰচিত আটাইকেইখন উপন্যাস আঞ্চলিক উপাদানেৰে পৰিপূৰ্ণ।

খ) শীলভদ্ৰৰ কিছুসংখ্যক উপন্যাস গৌৰীপুৰ অঞ্চলৰ জমিদাৰী সংস্কৃতি আৰু কোচ-ৰাজবংশী আৰু দেশী মুছলমানসকলৰ সাতামপুৰুষীয়া লোক-সংস্কৃতিৰে নিৰ্মিত।

গ) শীলভদ্ৰৰ উপন্যাসসমূহ গোৱালপাৰা অঞ্চলৰ জন জীৱন আৰু সাংস্কৃতিক জীৱনৰ উপাদানেৰে পৰিপূৰ্ণ।

**অধ্যয়নৰ পদ্ধতি ঃ**

গ্ৰন্থখনৰ বিষয় মূলতঃ শীলভদ্ৰ উপন্যাসত আঞ্চলিক উপাদান। আমি উল্লিখিত বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে 'শীলভদ্ৰৰ উপন্যাস সমগ্ৰ'ক মূল আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰা হৈছে। শীলভদ্ৰৰ উপন্যাস সমগ্ৰ অধ্যয়নৰ সহায়ত আমি বিশ্লেষণাত্মক অধ্যয়ন পদ্ধতি অৱলম্বন কৰি শীলভদ্ৰৰ উপন্যাসত থকা আঞ্চলিক উপাদানসমূহৰ ভিন্ন দিশ উন্মোচন কৰিবলৈ প্ৰযত্ন কৰা হৈছে। শীলভদ্ৰৰ উপন্যাস সমগ্ৰত আঞ্চলিক উপাদান নিহিত হৈ আছে বুলি বিভিন্ন সমালোচক সাহিত্যিকে উল্লেখ কৰিছে। শীলভদ্ৰৰ উপন্যাসত প্ৰতিফলিত হোৱা

আঞ্চলিকতাৰ উপাদান বিশ্লেষণাত্মক অধ্যয়ন পদ্ধতিৰে তুলি ধৰিবলৈ যাওঁতে প্ৰয়োজন সাপেক্ষে ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰ কিছু সহায় লোৱা হৈছে। বিশেষকৈ, গৌৰীপুৰকেন্দ্ৰিক সৃষ্টিৰাজিৰ মাজত থলুৱা ভাষা-সংস্কৃতি আৰু চৰিত্ৰৰ উপাদানৰ সমল বিচৰাৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন হৈছে। শীলভদ্ৰৰ উপন্যাসত উল্লিখিত গৌৰীপুৰকেন্দ্ৰিক ভাষা-সংস্কৃতিৰ সমল আৰু বাস্তৱ চৰিত্ৰ যেনে-লোকশিল্পী টগৰ অধিকাৰীৰ দৰে কিছু চৰিত্ৰৰ সমল বিচাৰি ক্ষেত্ৰ অধ্যয়নৰ সহায় লোৱা হৈছে। তদুপৰি উল্লিখিত গৱেষণা কৰ্মৰ বিষয়টিৰ স'তে সম্পৰ্কিত গ্ৰন্থ তথা তথ্য বিভিন্ন পুথিভৰাঁলৰ পৰা সংগ্ৰহ কৰা হৈছে।

তথ্য সংগ্ৰহৰ বাবে নিম্নলিখিত পদ্ধতিসমূহ গ্ৰহণ কৰা হৈছে।

ক) **অৱলোকন ঃ** অৱলোকন বা নিৰীক্ষণ পদ্ধতিয়ে হ'ল তথ্য সংগ্ৰহৰ গুৰুত্বপূৰ্ণ পদ্ধতি। ইয়াৰ দ্বাৰা আমি অঞ্চল ভিত্তিত থকা ভিন্ন সম্প্ৰদায়ৰ ভাষা, আচাৰ-নীতি, গীত-মাত, পিন্ধন-উৰণ, নৃত্য, পূজা-অৰ্চনা আদি পৰ্য্যবেক্ষণ কৰি তাৰ পৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে।

খ) **সাক্ষাৎকাৰ ঃ** আমাৰ প্ৰস্তাৱিত অধ্যয়নৰ তথ্য সংগ্ৰহৰ ক্ষেত্ৰত সততে শীলভদ্ৰৰ উপন্যাসত উল্লিখিত গৌৰীপুৰ অঞ্চলকেন্দ্ৰিক বিশেষকৈ গোৱালপাৰা জিলাৰ ইতিহাস, ভাষা-সংস্কৃতিৰ বিষয়ে অভিজ্ঞ ব্যক্তিৰ সাক্ষাৎকাৰ লোৱা হৈছে। সমাজৰ মুৰব্বী ব্যক্তি, শিল্পী আৰু সমাজৰ বিভিন্ন স্তৰৰ দুই এজন লোকৰ সাক্ষাৎ গ্ৰহণ কৰি আমাৰ অধ্যয়নৰ বাবে তথ্য সংগ্ৰহ কৰা হৈছে।

গ) **প্ৰশ্ন তালিকা ঃ** বিভিন্ন প্ৰশ্ন তালিকা প্ৰস্তুত কৰি বিভিন্ন প্ৰশ্ন উত্থাপনৰ দ্বাৰাও আমি তথ্য সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছোঁ। ইয়াৰ দ্বাৰা আমি বিভিন্ন ব্যক্তিৰ পৰা থলুৱা ভাষা-সংস্কৃতিৰ ব্যৱহাৰ প্ৰণালী ইত্যাদি তথ্য সংগ্ৰহ কৰা হৈছে।

**অধ্যয়নৰ সমল ঃ**

গৱেষণাৰ সমল দুই ধৰণৰ গ্ৰহণ কৰা হৈছে। মুখ্য সমল আৰু গৌণ সমল। মুখ্য সমল হিচাপে 'শীলভদ্ৰৰ উপন্যাস সমগ্ৰ' আৰু গৌণ সমল হিচাপে বিভিন্ন পত্ৰাদি, আলোচিত প্ৰবন্ধ-নিৱন্ধ, বাতৰি কাকত, আলোচনী, দিনলিপি, অপ্ৰকাশিত চিঠি পত্ৰ, স্মৃতিগ্ৰন্থ ইত্যাদি। তদুপৰি,

দেশী-বিদেশী পণ্ডিত সকলে ৰচনা কৰা সাহিত্যৰ বুৰঞ্জী, উপন্যাস সম্পৰ্কে কৰা গৱেষণা গ্ৰন্থবোৰ গৌণ সমল হিচাপে গ্ৰহণ কৰা হ'ব। পুথিভঁৰালৰ ভিতৰত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, বিভাগীয় পুথিভঁৰাল, গৌহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, কোকৰাঝাৰ জিলা পুথিভঁৰাল, ধুবুৰী জিলা পুথিভঁৰাল, কলিকতা জাতীয় পুথিভঁৰাল, হালাকুৰা মহাবিদ্যালয় পুথিভঁৰাল আদি ব্যৱহাৰ কৰাৰ উপৰিও ব্যক্তিগত পুথিভঁৰাল ব্যৱহাৰ কৰা হৈছে। প্ৰসংগ পুথি হিচাপে সাধাৰণতে অসমীয়া, ইংৰাজী, হিন্দী, বাংলা ভাষাৰ গ্ৰন্থ ব্যৱহাৰ কৰা হৈছে।

**অধ্যয়নৰ সম্ভাব্য ফলাফল ঃ**

আমাৰ গৱেষণা গ্ৰন্থখনে অবিভিক্ত গোৱালপাৰা জিলাৰ ঐতিহ্য, জমিদাৰী প্ৰথা আৰু ইয়াৰ অৱসান সম্পৰ্কে কিছু তথ্য দাঙি ধৰিবলৈ সক্ষম হ'ব। তদুপৰি শীলভদ্ৰৰ উপন্যাস সমগ্ৰৰ সামগ্ৰিক অধ্যয়নে গৌৰীপুৰ অঞ্চলৰ ঐতিহাসিক আৰু বৰ্তমানৰ সামাজিক পৰিস্থিতিৰ লগতে গোৱালপাৰা অঞ্চলৰ মাত-কথা আৰু অনুষ্ঠান ইত্যাদিৰ এটি বিৱৰণ পাবলৈ সক্ষম হ'ব। লগতে সংযোজিত অধ্যয়ন পদ্ধতিৰ জৰিয়তে আমাৰ নিজৰ জ্ঞানৰ প্ৰসাৰ হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰী, লেখক-গৱেষক তথা সাধাৰণ পঢ়ুৱৈ সমাজেও যথেষ্ট উপকৃত হ'ব পাৰিব বুলি আশা কৰিব পাৰি। তদুপৰি আমাৰ গৱেষণা গ্ৰন্থখনে পৰৱৰ্তী গৱেষক ছাত্ৰ তথা পাঠক বৰ্গক শীলভদ্ৰৰ সৃষ্টিৰাজি সম্পৰ্কে তথ্য দিবলৈ সহায়ক হ'ব। বিশেষভাৱে শীলভদ্ৰৰ কথাশিল্পৰ অধ্যয়ন, অসমীয়া উপন্যাসত শীলভদ্ৰৰ স্থান, আঞ্চলিক উপন্যাসৰ সাৰ্থক প্ৰণেতা ঃ শীলভদ্ৰ, অসমীয়া আৰু বঙলা আঞ্চলিক উপন্যাস ঃ এক তুলনামূলক অধ্যয়ন, শীলভদ্ৰ আৰু অদ্বৈতমল্ল বৰ্মণৰ উপন্যাস ঃ এক অধ্যয়ন ইত্যাদি সম্পৰ্কে পৰৱৰ্তী অধ্যয়নত সহায়ক হোৱাৰ উপৰিও গৌৰীপুৰ আৰু ৰেৱতী মোহন দত্ত চৌধুৰীৰ জীৱন চৰ্চা সম্পৰ্কে পাঠক সমাজ অৱগত হ'ব পাৰিব।

## প্ৰসংগ-টোকা

১) প্ৰফুল্ল কটকী, স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা, পৃ.- ৯৬